## :- অংকীয়া নাট :-

১. অংকীয়া নাট কাক বোলে ? অংকীয়া নাটৰ বৈশিষ্ট্য সমূহ বিশদভাৱে আলোচনা কৰা ।

Ans ⇒ অসমত বৈষ্ণৱ যুগত ৰচিত বিশেষ কলা-কৌশলপূৰ্ণ এবিধ ধৰ্মমূলক একাংক নাটকক অংকীয়া নাট বোলে ।
অংকীয়া নাটৰ সৃষ্টিদাতা হ'ল মহাপুৰুষ শ্ৰী মন্ত শংকৰদেৱ।

অংকীয়া নাটৰ বৈশিষ্ট্যবোৰ হ'ল →

(ক) নাট্যবস্তু ⇒ যিটো বিষয়ক লৈ নাট ৰচনা কৰা তাক নাট্য বস্তু বোলে । অংকীয়া নাটৰ বিষয়বস্তু সদায় পৌৰানিক আৰু ইয়াৰ বিষয় বস্তু পুৰানৰ পৰা লোৱা হৈছে ।

(খ) নান্দি ⇒ সংস্কৃতত, নান্দী হৈছে, দেৱ দীৰ্ঘ নৃপতিৰ স্তুতি সূচক শ্লোক । কিন্তু অংকীয়া নাটত ই কেৱল দেৱ বিশেষ শ্লোক ।
নন্দ ধাতুৰ পৰা নান্দি । ইয়াৰ অৰ্থ আনন্দ

(গ) ধেমালি বা পূৰ্বৰংগী ⇒ অংকীয়া নাটৰ আৰম্ভনিতে গায়ন-বায়ন সকলে বিভিন্ন ধৰনৰ খোলত ঘাত বজায়, আৰু ইয়াকে ধেমালি বা পূৰ্বৰংগী বোলে ।

(ঘ) ভটিমা ⇒ ভটিমা হৈছে, দেৱ নৃপতিৰ, দেৱতা আৰু গুৰু আদিৰ যশ মাহাত্ম্য সূচক ছন্দোবদ্ধ জয়গান অৰ্থাৎ কৃষ্ণ বা ৰামৰ দৈহিক সৌন্দৰ্য্য আদি বৰ্ননা কৰা হয়
ভটিমা চাৰি প্ৰকাৰৰ →
(i) দেৱ ভটিমা ।
(ii) ৰাজ " ।
(iii) গুৰু " ।
(iv) নাটকীয় " ।

(i) দেৱ ভটিমা ⇒ ইষ্ট দেৱতাৰ দৈহিক সৌন্দৰ্য্য আদিৰ লৌকিক

(ঙ)
ভাষা → ভাষা হৈছে অংকীয়া নাটৰ এক বৈশিষ্ট্য। অংকীয়া নাটৰ ভাষা হৈছে ব্ৰজাবলী। এই ব্ৰজাবলী ভাষাটো পুৰণি অসমীয়া ভাষা। আধুনিক অসমীয়া, চৰ্য্যাপদ, ভাষা মৈথেলী ভাষা আৰু পশ্চিমীয়া হিন্দী ভাষাৰ সংমিশ্ৰণত গঠিত হৈছে

(চ)
সূত্ৰধাৰ → অংকীয়া নাটৰ এক উল্লেখযোগ্য বৈশিষ্ট হৈছে সূত্ৰধাৰ। অংকীয়া নাটৰ সূত্ৰধাৰ নাটৰ এক বিশেষ সৃষ্টি। অংকীয়া নাটত সূত্ৰধাৰ জন চৰিত্ৰ সমূহৰ পৰিচালক। গায়ন-বায়ন জোৰ উঠাৰ পাছতে সূত্ৰধাৰৰ প্ৰৱেশ ঘটে। প্ৰৱেশৰ পাছতে সূত্ৰধাৰে নৃত্য কৰে, নৃত্যৰ পাছতেই সূত্ৰধাৰ জনে নান্দি পাঠ কৰে। ইয়াৰ পাছত সূত্ৰধাৰ জনে গায়ন-বায়নৰ মাজলৈ যি নেতৃত্ব লয়। সূত্ৰধাৰেই ভাৱৰীয়াৰ আদেশ সূচক গীত পদ, শ্লোক সকলোবোৰ পাঠ কৰে। তাৰোপৰি সূত্ৰধাৰে স্মাৰকৰ কামো সম্পাদন কৰে। অংকীয়া নাটৰ চৰিত্ৰ সমূহৰ সূত্ৰধাৰৰ মতত পুতলাৰ নিচিনা কিয়নো সূত্ৰধাৰৰ ইংগিততেই চৰিত্ৰসমূহৰে প্ৰৱেশ কৰে, বিলাপ, নৃত্য, প্ৰস্থান আদি কৰে। গতিকে দেখা যায় যে, অংকীয়া নাটৰ সূত্ৰধাৰ জনেই নাটকৰ এক প্ৰধান চৰিত্ৰ বা মৰ্য্যমণি।

(ছ) প্ৰস্তাৱনা → প্ৰস্তাৱনা অংকীয়া নাটৰ অন্য এক বৈশিষ্ট্য। সূত্ৰধাৰে নট-নটী বিদুষক আৰু সংগী আদিৰে সৈতে নাটকৰ মূল কাহিনী আৰম্ভ হোৱাৰ আগতে নাট্যবস্তুৰ যি সংক্ষিপ্ত পৰিচয় দি কথোপকথন কৰে, ইয়াকে প্ৰস্তাৱনা বোলে। অংকীয়া নাটৰ প্ৰস্তাৱনা আমটোৰে উল্লেখ নাথাকে যদিও নান্দিৰ পিছত সূত্ৰধাৰে সংগী সকলৰ লগত অৰ্থাৎ গায়ন বায়ন সৈতে কথা প্ৰসংগত প্ৰশ্নৰ কথা কয় বা গান গায়। "আহে সংগী কি বাদ্য শুনিয়ে" তেতিয়া সংগীয়ে উত্তৰ দিয়ে, "সখী দেৱ দুন্দুভি বাজত।" এই যতনিৰ্মিত নান্দিৰ পাৰা কেৱা হয় বাজনে, ইয়াক প্ৰস্তাৱনা বোলে।

Scanned with CamScanner

চন্দবদ্ধে যি জয়গান বচনা কৰা হয় তাক দেৱ ভটিমা বোলে।
(ii) ৰাজ ভটিমা → ৰজাৰ প্ৰতি, যি যশ সৌন্দৰ্য্য গুণৰ মহিমা আদি দেখুৱাই, যি চন্দবদ্ধে জয়গান প্ৰচাৰ কৰা হয়, তাকে ৰাজভটিমা বোলে।
(iii) গুৰু ভটিমা → গুৰুৰ প্ৰতি যশ মাহাত্ম্য কাৰ্য্য কৰা চন্দবদ্ধে যি জয়গান প্ৰচাৰ কৰা হয় তাকে গুৰু-ভটিমা বোলে।
(iv) নাটকীয় ভটিমা → নাটকত যি ভটিমা ব্যৱহাৰ কৰা হয় তাক নাটকীয় ভটিমা বোলে।

নাটকীয় ভটিমা তিনিপ্ৰকাৰৰ।
(i) মঙ্গলাচৰণ বা আদি ভটিমা।
(ii) চৰিত্ৰ মুখৰ ভটিমা।
(iii) মুক্তি মঙ্গল ভটিমা।

(i) মঙ্গলাচৰণ ভটিমা → নাটকৰ আৰম্ভণিতে, সকলো বাইজৰ শুভ মঙ্গল কামনা কৰি ইষ্ট-দেৱতাৰ যি ভটিমা গোৱা হয় তাকে মঙ্গলাচৰণ ভটিমা বোলে।

(ii) চৰিত্ৰমুখৰ ভটিমা → নাটকৰ চৰিত্ৰই গোৱা ভটিমা সমূহক চৰিত্ৰমুখৰ ভটিমা বোলে।

(iii) মুক্তি-মঙ্গল ভটিমা → অংকীয়া নাটৰ পৃষ্ঠ-পোষকৰ বৈশিষ্ট বৰ্ণনাই আৰু জনসাধাৰণৰ মুক্তি কামনা কৰি যি ভটিমা গোৱা হয়, তাক মুক্তি মঙ্গল ভটিমা বোলে।
ইষ্ট দেৱতাৰ উপৰিও পৃষ্টপোষক তথা জনসাধাৰণৰ মঙ্গল কামনা কৰে তাক মুক্তিমঙ্গল ভটিমা বোলে।

(৬) ৰস → অংকীয়া নাটৰ অন্য এক বৈশিষ্ট হৈছে ৰস। অংকীয়া নাটৰ পৰিব্যাপক ৰস হৈছে ভক্তিৰস যদিও ইয়াত সকলোবোৰ ৰসৰ স্থান আছে, তথাপিও অংকীয়া নাটত ভক্তি ৰসকে প্ৰাধান্য দিয়া হৈছে।

Scanned with CamScanner

(ঝ) নায়ক-নায়িকা ⇒ অংকীয়া নাটৰ নায়ক-নায়িকা, ৰাম আৰু সীতা, কৃষ্ণ আৰু ৰুক্মিণী ।
এইয়ে হৈছে অংকীয়া নাটৰ বৈশিষ্ট্য ।

Scanned with CamScanner